জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৩৯/২০২১**

# এ আই আই বি আৰু স্মাৰ্ট মিটাৰ প্ৰকল্পৰ বাবে আনুষ্ঠানিক চুক্তিপত্ৰ বিতৰণ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৫ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ শক্তিখণ্ডৰ সংবৰ্ধনৰ জৰিয়তে জনসাধাৰণলৈ উন্নত বিদ্যুৎ সেৱা আগবঢ়োৱাৰ লক্ষ্যৰে গুৱাহাটীৰ কইনাধৰাস্থিত ১ নং ৰাজ্যিক অতিথিশালাত অনুষ্ঠিত এক অনুষ্ঠানত এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক (এ আই আই বি) আৰু স্মাৰ্ট মিটাৰ প্ৰকল্পৰ বাবে আনুষ্ঠানিক চুক্তিপত্ৰ বিতৰণ কৰে। অসমৰ শক্তিখণ্ডৰ বিদ্যুৎ বিতৰণ প্ৰণালীৰ সম্প্ৰসাৰণ তথা লোকচান হ্ৰাসৰ লক্ষ্যৰে ৩২৮৪.০৪ কোটি টকা প্ৰকল্প ব্যয়ৰে হাতত লোৱা এই এ আই আই বি অনুদানপ্ৰাপ্ত প্ৰকল্পৰ জৰিয়তে ৰাজ্যখনৰ বিদ্যুৎ খণ্ডৰ উপসংবহন তথা বিতৰণ নেটৱৰ্ক শক্তিশালীকৰণ, উন্নত ভল্টেজৰ ব্যৱস্থাপনা, নেটৱৰ্কৰ উচ্চ প্ৰাৱল্য আৰু নিম্ন প্ৰাৱল্যৰ অনুপাতৰ উন্নয়ন আদি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হ'ব। আনহাতে ৫৬৬.৩৩ কোটি টকা প্ৰকল্প ব্যয়ৰে হাতত লোৱা ডিবিফুট ভিত্তিত প্ৰিপেইড স্মাৰ্ট মিটাৰিং প্ৰকল্পৰ জৰিয়তে অসমৰ নগৰীয়া এলেকাত প্ৰিপেইড মিটাৰ সংস্থাপন কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে বিদ্যুৎখণ্ডৰ বাণিজ্যিক লোকচান হ্ৰাস পোৱাৰ লগতে বিদ্যুৎ উপভোক্তাসকলে স্মাৰ্ট ফোনৰ মাধ্যমেৰে তেওঁলোকৰ বিদ্যুতৰ ব্যৱহাৰ আৰু খৰচ নিৰীক্ষণ কৰিবলৈ সমৰ্থ হ'ব। তদুপৰি লোকচানৰ সন্মুখীন হোৱা অঞ্চলসমূহৰ বিদ্যুতৰ হিচাপ নিৰীক্ষণৰ ক্ষেত্ৰতো এই প্ৰকল্পই এ পি ডি চি এলক সহায় কৰিব।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ শক্তি খণ্ডৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। জনসাধাৰণে যাতে উন্নত মানসম্পন্ন বিদ্যুৎসেৱা লাভ কৰিব পাৰে সেই উদ্দেশ্যেই এই প্ৰকল্প হাতত লোৱা হৈছে। এই দুয়োটা প্ৰকল্পই নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণ কৰি তোলাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকল্প ৰূপায়ণৰ লগত জড়িত সংশ্লিষ্ট সকলোকে ইয়াক এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিবলৈ কয়। প্ৰকল্প ৰূপায়ণৰ অগ্ৰগতিৰ সন্দৰ্ভত নিয়মীয়াকৈ পৰ্যালোচনা কৰিব বুলিও তেওঁ মন্তব্য কৰে।

আজিৰ এই অনুষ্ঠানত শক্তি মন্ত্ৰী বিমল বৰা, ৰাজ্যৰ মুখ্য সচিব তথা শক্তি বিভাগৰ তিনিওটা প্ৰতিষ্ঠানৰ অধ্যক্ষ জিষ্ণু বৰুৱা, শক্তি বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা আৰু এপিডিচিএলৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৫-১১-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in  **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam  cmassam.prcell@gov.in